# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-07-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - -

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। গোৱালপাৰা জিলাৰ লক্ষীপুৰত আজি এই অভিযানৰ কাৰ্যসূচী আৰম্ভ হৈছে। গোপীনাথ বৰদলৈ সভাঘৰত এই উপলক্ষে বিশেষ অনুষ্ঠিত হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী, উন্নয়ন আয়ুক্ত ৰঞ্জিত কোঁৱৰ, নিটি আয়োগৰ পৰ্যবেক্ষক আৰু জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, সমাজ কল্যাণ বিষয়া, কৃষি বিষয়া আদিৰ লগতে আন কেইবাটাও বিভাগৰ বিষয়া তথা কৰ্মচাৰীসকলক উপস্থিত থাকে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি লক্ষীপুৰ চহৰৰ মাজেৰে সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়।

বাক্সা জিলাৰ বৰমাত আজি এই অভিযান আৰম্ভ কৰি এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। জিলাখনৰ বৰমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত বি টি চিৰ অধ্যক্ষ কাতিৰাম বড়োৱে এই অভিযান মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত কৃষ্ণা বৰুৱা উপস্থিত থাকে। ইপিনে জিলাখনৰ সদৰ মুছলপুৰতো নিটি আয়োগৰ অধীনত **সম্পূৰ্ণতা অভিযান**ৰ সৈতে সংগতি ৰাখি এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত অধ্যক্ষ কাতিৰাম বড়োৱে অংশগ্ৰহণ কৰি জিলাখনক শিক্ষা, স্বাস্থ্য আদি সকলো দিশতেই আগবঢ়াই নিবলৈ চেষ্টা অব্যাহত ৰাখিব বুলি মন্তব্য কৰে।

অসমত **সম্পূৰ্ণতা অভিযানে** বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা, ওদালগুৰি, ডিমা হাচাও আৰু হাইলাকান্দিৰ কেইবাটাও উন্নয়ন খণ্ডক সামৰি লৈছে। সকলো অভিলাষী জিলা আৰু খণ্ডত ১২টা মূল সামাজিক খণ্ডৰ সূচকৰ ক্ষেত্ৰত ১০০ শতাংশ পৰিপূৰ্ণতা লাভ কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা এই অভিযান অহা ৩০ ছেপ্তেম্বৰলৈকে চলিব।

এই অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পৌষ্টিক আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব।

০০০০০

সংসদৰ বাজেট অধিবেশন অহা ২২ জুলাইত আৰম্ভ হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে এই অধিবেশনৰ ১২ আগষ্টত সামৰণি পৰিব। ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সদনত দাখিল কৰিব। শ্ৰীৰিজিজুৱে কয় যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শমৰ্মে সংসদৰ বাজেট অধিবেশনৰ বাবে দুয়োখন সদনক আহ্বান জনোৱা প্ৰস্তাৱত অনুমোদন জনাইছে। বিত্ত মন্ত্ৰী সীতাৰমনে লোকসভা নিৰ্বাচনৰ পূৰ্বে অন্তৰৰ্তী বাজেট উত্থাপন কৰিছিল। এইবাৰৰ বাজেটে দেশৰ দ্ৰুত উন্নয়নৰ ধাৰা অব্যাহত ৰাখিব পৰাকৈ বিভিন্ন সুবিধা নিশ্চিত কৰাৰ লগতে অধিক নিয়োগৰ সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে পৰৱৰ্তী ৫ টা বছৰ ভাৰতে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত নিৰ্ণায়ক হব বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় অৰ্থনীতিয়ে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৮ দশমিক ২ শতাংশ হাৰত বিকাশ লাভ কৰাৰ সময়ত এইবাৰৰ বাজেটে গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে। সম্প্ৰতি বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে বিবেচিত ভাৰতৰ মুদ্ৰাস্ফীতি ৫ শতাংশতকৈ নিম্নগামী হৈছে।

০০০০০

অসমত বছৰৰ দ্বিতীয়টো বানত ৩০ খন জিলাৰ ২৪ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। বিগত ২৪ ঘণ্টাত বানত ৰাজ্যখনত কোনো লোকৰ মৃত্যু হোৱা নাই। গুৱাহাটী মহানগৰত বৰষুণৰ পানীয়ে সৃষ্টি কৰা বানত স্বাভাৱিক জীৱন যাত্ৰা বিঘ্নিত হৈছে। মহানগৰখনৰ বিভিন্ন পথ-উপপথত পানী জমা হৈ থকাত যাতায়াতত অসুবিধাৰ সৃষ্টি হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিয়া আগজাননী অনুসৰি উজনি অসমৰ বিভিন্ন স্থানত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। শেহতীয়া বানত ৰাজ্যখনৰ প্ৰায় ৪৭ হাজাৰ লোকে ঘৰ-বাৰী পানীত ডুব যোৱাত সাময়িকভাৱে সাহায্য শিবিৰত থাকিবলগীয়া হৈছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কমেও ১০০টা বন্য জন্তুক উদ্ধাৰ কৰিছে। আনহাতে বানত উদ্যানখনৰ প্ৰায় ৯০টা জন্তুৰ মৃত্যু হৈছে।

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ডিব্ৰুগড় পৌৰ নিগমৰ কাৰ্যালয়ত পাৰিষদসকলৰ লগত এখন বৈঠকত মিলিত হৈ জিলাখনৰ কৃত্ৰিম বানপানীৰ সমস্যা আৰু সমাধানৰ ক্ষেত্ৰত মতামত গ্ৰহণ কৰে। এই ক্ষেত্ৰত সমস্যাসমূহৰ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন সমাধানৰ ক্ষেত্ৰত লাভ কৰা পৰামৰ্শসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰাব বুলি জানিবলৈ দিয়ে। এই বৈঠকত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি জিলাখনৰ আয়ুক্ত, মেয়ৰ আৰু প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত আজি দ্বিতীয় বাছনিৰ ভাৰতৰ ৰোহন বোপান্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীয়ে জাৰ্মানীৰ হেন্ড্ৰিক জেবেঞ্চ আৰু কনষ্টেনটিন ফ্ৰেনজেনৰ বিৰুদ্ধে খেলিব। বোপান্না-এবডেন যুটীয়ে নেডাৰলেণ্ডছৰ ৰবান হাছ আৰু ছেণ্ডাৰ এৰেণ্ডছক ৭-৫, ৬-৪ ছেটত পৰাজিত কৰি দ্বিতীয় ৰাউণ্ডত অগ্ৰগতি লাভ কৰে।

পুৰুষৰ ছিংগলছত আজি পুৰা শীৰ্ষ বাছনিৰ জেনিক ছিনাৰে অবাছনি প্ৰাপ্ত ছাৰ্ব মিয়'মিৰ কেকমেন'ভিছক ৬-১, ৬-৪, ৬-২ ছেটত পৰাজিত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছত শীৰ্ষ বাছনিৰ আইগা ছিৱাটেকে তৃতীয় ৰাউণ্ডত য়োলিয়া পুটিনছেভাৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত